আন্তঃৰাষ্ট্ৰীয়

আমেৰিকাৰ নিৰ্বাচনত ভাৰতীয় মূলৰ ৰাজনীতিকৰ সাফল্য; পিয়া দাণ্ডিয়া, সুহাস সুব্ৰমনিয়ম আৰু অৰুণা মিলাৰৰ জয়

ওহাইঅ'ৰ গৱৰ্ণৰ নিৰ্বাচনত ১০ কোটি ডলাৰৰো অধিক খৰচৰ পাছতো হাৰিলে ভাৰতীয় মূলৰ ৰিপাব্লিকান প্ৰাৰ্থী বিবেক ৰামস্বামী।

প্ৰকাশ: ৪ নৱেম্বৰ ২০২৬, আবেলি ৪:০২



(Social media)

২০২৬ চনৰ আমেৰিকাৰ মধ্যৱৰ্তী নিৰ্বাচনত ভাৰতীয় মূলৰ কেইবাগৰাকীও ৰাজনীতিকে উল্লেখযোগ্য সফলতা লাভ কৰিছে। পিয়া দাণ্ডিয়া, সুহাস সুব্ৰমনিয়ম আৰু অৰুণা মিলাৰে নিজ নিজ নিৰ্বাচনত জয়লাভ কৰাৰ বিপৰীতে অ'হাইঅ'ৰ গভৰ্ণৰ নিৰ্বাচনত ড'নাল্ড ট্ৰাম্পৰ সমৰ্থনপ্ৰাপ্ত ভাৰতীয় মূলৰ ৰিপাব্লিকান প্ৰাৰ্থী বিবেক ৰামাস্বামী পৰাস্ত হৈছে।

Floridaৰ ২২সংখ্যক Congressional Districtৰ পৰা ডেম'ক্ৰেটিক প্ৰাৰ্থী পিয়া দাণ্ডিয়াই জয়লাভ কৰি US House of Representativesলৈ নিৰ্বাচিত হৈছে। তেওঁ ৰিপাব্লিকান প্ৰাৰ্থী Casey Askarক পৰাস্ত কৰে Palm Beach Countyত ভাৰতীয় অভিবাসী পিতৃ-মাতৃৰ ঘৰত জন্মগ্ৰহণ কৰা দাণ্ডিয়াই শিক্ষকতা কৰাৰ লগতে Harlemৰ এখন উচ্চ বিদ্যালয়ৰ অধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ White House Fellow হিচাপে কাম কৰাৰ উপৰি Appleতো কৰ্মৰত আছিল। শিক্ষা, জীৱন-যাপনৰ ব্যয় হ্ৰাস আৰু অৰ্থনৈতিক সুযোগ

সৃষ্টিক তেওঁ নির্বাচনী প্রচাৰৰ মূল বিষয় হিচাপে লৈছিল।

ইফালে, Virginiaৰ ১০সংখ্যক Congressional Districtৰ পৰা ভাৰতীয় মূলৰ ডেম'ক্রেটিক নেতা সুহাস সুব্রমনিয়মে পুনৰ জয়লাভ কৰিছে। তেওঁ ৰিপাব্লিকান প্রার্থী Dave T. Beckwithক পৰাস্ত কৰে। সুব্রমনিয়মে মুঠ ভোটৰ ৬৩.১৬ শতাংশ অর্থাৎ ১,৭৩,১০৬টা ভোট লাভ কৰে। আনহাতে, Beckwithএ ৩৪.৬৬ শতাংশ অর্থাৎ ৯৪,৯৯০টা ভোট লাভ কৰে। নির্দলীয় প্রার্থী Ahsen Mujeeb Malikএ ১.৯৯ শতাংশ অর্থাৎ ৫,৪৪৪টা ভোট লাভ কৰে। ১৯৭৯ চনত Virginiaত ভাৰতীয় অভিবাসী পিতৃ-মাতৃৰ ঘৰত জন্মগ্রহণ কৰা সুব্রমনিয়ম হৈছে ৰাজ্যখনৰ ১০সংখ্যক Congressional Districtক প্রতিনিধিত্ব কৰা প্রথমগৰাকী ভাৰতীয়-আমেৰিকান।

Marylandতো ভাৰতীয় মূলৰ ৰাজনীতিক অৰুণা মিলাৰে পুনৰ সফলতা লাভ কৰিছে। ডেম'ক্রেটিক গভর্ণৰ Wes Mooreৰ সৈতে একেটা নির্বাচনী দলত প্রতিদ্বন্দ্বিতা কৰা Millerএ পুনৰ Lieutenant Governor হিচাপে নির্বাচিত হৈছে। তেওঁ ৰিপাব্লিকান প্রার্থী Rob Kropক পৰাস্ত কৰে। এই জয়ৰ ফলত Marylandৰ অন্যতম গুৰুত্বপূর্ণ কার্যবাহী পদত ভাৰতীয় মূলৰ প্রতিনিধিত্ব অব্যাহত থাকিব।

আনহাতে, অ'হাইঅ'ৰ গভর্ণৰ নির্বাচনত ডেম'ক্রেটিক প্রার্থী ডাঃ এমি এক্টনে ৰামাস্বামীক পৰাস্ত কৰিছে। এই জয়ৰ জৰিয়তে এক্টন অ'হাইঅ'ৰ প্রথমগৰাকী নির্বাচিত মহিলা গভর্ণৰ হিচাপে পৰিগণিত হৈছে। বিগত ২০ বছৰৰ ভিতৰত এই প্রথমবাৰৰ বাবে ৰাজ্যখনৰ গভর্ণৰ পদত ডেম'ক্রেটিক প্রার্থীয়ে জয়লাভ কৰিছে COVID-19 মহামাৰীৰ সময়ত অ'হাইঅ'ৰ স্বাস্থ্য সঞ্চালক হিচাপে কার্যনির্বাহ কৰা এক্টনে নির্বাচনী প্রচাৰত জীৱন-যাপনৰ ব্যয় আৰু স্বাস্থ্যসেৱাৰ সুবিধা উন্নত কৰাৰ বিষয়ত গুৰুত্ব দিছিল।

ইয়াৰ উপৰি Californiaৰ ১৭সংখ্যক Congressional Districtৰ পৰা ডেম'ক্রেটিক নেতা Ro Khannaই পুনৰ জয়লাভ কৰিছে। আন এগৰাকী ডেম'ক্রেটিক নেতা Ami Beraয়ো Californiaৰ আন এটা সমষ্টিত জয় লাভ কৰিছে। আনহাতে, Arizonaৰ এখন প্রতিদ্বন্দ্বিতাপূর্ণ House নির্বাচনত ভাৰতীয় মূলৰ প্রার্থী Amish Shahই অগ্রগতি লাভ কৰি আছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/705/indian-american-candidates-shine-us-midterms